सत्यमेव जयते

# ভাৰতৰ
# ৭০ তম্ স্বাধীনতা দিৱস উদ্‌যাপন

অসমৰ মাননীয় মুখ্য মন্ত্ৰী

## শ্ৰীসৰ্বানন্দ সোণোৱালৰ ভাষণ

১৫ আগষ্ট, ২০১৬

গুৱাহাটী

শ্ৰদ্ধেয় ৰাইজ,

আজি আমাৰ দেশৰ ৭০তম স্বাধীনতা দিৱস। এই উপলক্ষে মহামানৱ মহাত্মা গান্ধী আৰু আমাৰ মুক্তিযোদ্ধাসকলৰ মহান ত্যাগক মই গভীৰ শ্ৰদ্ধাৰে স্মৰণ কৰিছো। আমি সকলোৱে জানো যে নিজ দেশৰ প্ৰতি থকা শ্ৰদ্ধা-ভক্তিয়ে হ'ল স্বদেশ প্ৰেম। স্বাধীনতা আনিবলৈ অসমতো কুশল কোঁৱৰ, কনকলতা, পিয়লি ফুকন আৰু মণিৰাম দেৱানৰ দৰে বহুজনে নিজৰ মহামূল্যবান জীৱন হেলাৰঙে দেশমাতৃৰ হকে উৎসৰ্গা কৰি দিলে। মই তেওঁলোকলৈ প্ৰণিপাত জনাইছোঁ। আমাৰ মুক্তিযোদ্ধাসকলৰ সপোনবোৰ বাস্তৱায়িত কৰাৰ অৰ্থে আজিৰ নতুন প্ৰজন্মই স্বদেশ প্ৰেমৰ অৰ্থ যাতে মৰ্মে মৰ্মে উপলব্ধি কৰিব পাৰে তাৰ বাবে তিনি দিনীয়া কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। দেশৰ হকে আত্ম বলিদান দিয়া সকলৰ চৰম ত্যাগক সন্মান জনাবলৈ, মই আমাৰ ৰাজ্যৰ নতুন প্ৰজন্মক আহ্বান জনাইছো। স্বাধীনতা দিৱসৰ দিনটোৰ লগত অসমবাসীৰ এক অনন্য গৌৰৱময় ইতিহাসো জড়িত হৈ আছে। ১৯৮৫ চনৰ এই পবিত্ৰ স্বাধীনতা দিৱসৰ দিনাই

ঐতিহাসিক অসম চুক্তি স্বাক্ষৰিত হৈছিল। এই মুহূৰ্তত মই অসম আন্দোলনৰ ৮৫৫ গৰাকী শ্বহীদৰ প্ৰতিও গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছো।

আমাৰ অসম বহু দিশৰ পৰা অতুলনীয় আৰু অনন্য। মা কামাখ্যাৰ আশিসপুষ্ট, মহাবাহু ব্ৰহ্মপুত্ৰৰ বিশাল জলৰাশিৰে বিধৌত, সেউজীয়া চাহ-বাগিচা আৰু অৰণ্যৰে শোভিত, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱ, চ্যুকাফা, চিলাৰায়, বেজবৰুৱা, জ্যোতি-বিষ্ণু, লাচিত বৰফুকন, ড° ভূপেন হাজৰিকাৰ জন্মক্ষেত্ৰ, আজান ফকীৰৰ ভাতৃত্ববোধৰ চানেকিৰে সমৃদ্ধ আমাৰ ৰাজ্য।

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই কৈছিল 'বিশ্ববিজয়ী নৱ জোৱান/ শক্তিশালী ভাৰতৰ / ওলাই আহা ওলাই আহা সন্তান তুমি বিপ্লৱৰ/'। তেওঁ আৰু কৈছিল- কোন ক'ত আছ আহ অ' / তই সমুখত হ' থিয় / মাতৃপূজাৰ ভাগ ল'বলৈ দেৰি কৰ কিয়?/' অথচ আমাৰ সমাজৰ কিছুমান শক্তিয়ে মনিষী সকলৰ এনে মহান বাণী আৰু দেশৰ বাবে আত্মবলিদান দিয়া শ্বহীদৰ ত্যাগক আওঁকান কৰি স্বাধীনতা দিৱসৰ বিৰুদ্ধে কাৰ্যসূচী গ্ৰহণ কৰে। আমাৰ দেশৰ নতুন প্ৰজন্মই নিশ্চিত ভাৱে তেনে অপশক্তিৰ আহ্বানক উপেক্ষা কৰি শ্বহীদৰ ত্যাগক সন্মান জনাবলৈ মুকলিকৈ ওলাই আহিব। এতিয়া চাৰিওফালে পৰিৱৰ্তনৰ জোৱাৰ। সেয়ে নতুন চিন্তাৰ প্ৰয়োজন। সেই পৰিৱৰ্তন- আমাৰ দেশক তৃণমূল পৰ্যায়ৰ পৰাই গঢ়াৰ পৰিৱৰ্তন। আপোনালোকৰ

চেতনাৰ পৰিৱৰ্তনে দেশক নতুনকৈ গঢ় দিব। সেয়ে স্বতঃস্ফূৰ্তভাৱে ওলাই আহি স্বাধীনতা দিৱসৰ কাৰ্যসূচীত নিজকে জড়িত কৰক। এই স্বাধীনতা, আপোনাৰ দেশৰ স্বাধীনতা, আপোনাৰ আত্মসন্মান, আপোনাৰ গৌৰৱ। দেশ বুলিলে নেলাগে আদেশ । 'স্বদেশো ভুবনত্ৰয়ম'- স্বদেশতে স্বৰ্গ, মৰ্ত্য, পাতাল।

এইখন নতুন চৰকাৰ বৰাক, ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামত বসবাস কৰা বৃহত্তৰ অসমবাসীয়ে গঠন কৰিছে। মই ৰাজ্যখনৰ মুখ্য সেৱকৰূপে ৰাইজৰ সেৱাত মোৰ সৰ্বোচ্চ শক্তি আৰু সাধনাৰে আত্মনিয়োগ কৰিম। ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতী, খেতিয়ক, শ্ৰমিক সকলৰ মনৰ আশা আৰু সপোন দিঠকত পৰিণত কৰাৰ বাবে চৰকাৰে দিনে-নিশাই কাম কৰি যাব। সমাজৰ আটাইতকৈ শেষৰ জন দুখীয়া মানুহক আৰ্থিকভাৱে সবল কৰাই আমাৰ চৰকাৰৰ অন্যতম লক্ষ্য আৰু উদ্দেশ্য।

গণতন্ত্ৰৰ চাৰিটা স্তম্ভ কাৰ্যপালিকা, ন্যায়পালিকা, বিধান মণ্ডল আৰু সংবাদ মাধ্যমৰ মাজত মূল্যবোধৰ আধাৰত শক্তিশালী সম্বন্ধ আৰু সু-সমন্বয় ৰক্ষা কৰি আমাৰ চৰকাৰ অগ্ৰসৰ হ'ব। ৰাজ্যখনৰ ৫ লাখ বিষয়া-কৰ্মচাৰী, লোক সভা, বিধান সভা, পৌৰ সভা আৰু পঞ্চায়তৰ নিৰ্বাচিত প্ৰতিনিধিসকলে ৰাইজৰ সতে মিলি আৰু ৰাইজৰ দিহা-পৰামৰ্শৰ আধাৰত দৃঢ়তাৰে আৰু নিষ্ঠাৰে কাম কৰি অসমৰ আমূল পৰিৱৰ্তন সাধিব লাগিব। এই ক্ষেত্ৰত আমাৰ গাঁওবুঢ়া, চাহ বাগিছাৰ চৰ্দাৰ সকলৰ সহযোগিতা আমাৰ কাম্য।

বিদেশীমুক্ত, দুৰ্নীতিমুক্ত, সন্ত্ৰাসবাদ মুক্ত আৰু প্ৰদূষণ মুক্ত সেউজীয়া অসম গঢ়া আমাৰ লক্ষ্য। 'কথাৰে নহয় বন্ধু কামত পৰিচয়' এই আপ্ত বাক্য আৰু আমাৰ মাননীয় প্ৰধান মন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ নীতি আৰু আদৰ্শৰে প্ৰশাসন ব্যৱস্থা সফল কৰাৰ অৰ্থে আমি ইতিমধ্যে কাম আৰম্ভ কৰিছো। অসমক শান্তি, সমন্বয় আৰু প্ৰগতিৰ ভূমি হিচাপে গঢ় দিয়াৰ উদ্দেশ্যেৰে আমি কিছুমান নিৰ্দিষ্ট নীতি নিৰ্ধাৰণ কৰিছো। সেইবোৰ হৈছে—

(১) 'সবকা সাথ, সবকা বিকাশ'ৰ আদৰ্শৰে অসমক ভাৰতৰ শীৰ্ষ পাঁচখন ৰাজ্যৰ এখন হিচাপে গঢ়ি তোলা।

(২) এনে এক প্ৰশাসনযন্ত্ৰ যি হ'ব নিকা, দক্ষতাপূৰ্ণ, ফলপ্ৰসূ, স্বচ্ছ আৰু জনসাধাৰণৰ প্ৰতি দায়বদ্ধ।

(৩) উগ্ৰপন্থী/ সন্ত্ৰাসবাদৰ ক্ষেত্ৰত শূন্য সহনশীলতাৰ নীতি।

অসমৰ প্ৰতিটো থলুৱা জনগোষ্ঠী আৰু সম্প্ৰদায়ৰ স্বাৰ্থ ৰক্ষণাবেক্ষণৰ বাবে আমাৰ চৰকাৰ গভীৰভাৱে দায়বদ্ধ। ইয়াৰবাবে আমাৰ চৰকাৰে ২০১৭ চনৰ ভিতৰত শুদ্ধভাৱে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণৰ কামক প্ৰধান অগ্ৰাধিকাৰ দিছে। অসমলৈ ভাৰত-বাংলাদেশ সীমান্তৰে অনুপ্ৰৱেশৰ সমস্যা ৰোধ কৰাৰ বাবে সুৰুঙাযুক্ত আন্তঃৰাষ্ট্ৰীয় সীমান্ত ছীল কৰাটো হ'ব আমাৰ প্ৰধান উদ্দেশ্য। সীমান্তৰ বেৰ অধিক শক্তিশালী কৰাৰ ব্যৱস্থা আমি হাতত লৈছো। সীমান্ত এলেকা উন্নয়ন বিভাগৰ নাম সলনি কৰি সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগ হিচাপে নামকৰণ কৰা হ'ব।

আমাৰ চৰকাৰে বিশ্বাস কৰে যে শান্তি আৰু প্ৰগতি এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। সমাজৰ যিকোনো প্ৰকাৰৰ অসূয়া অশান্তিয়ে উন্নয়ন প্ৰক্ৰিয়াত স্থবিৰতা আনে। সেয়েহে আমি আমাৰ সামাজিক জীৱনত সুৰক্ষাৰ এক বাতাৱৰণ সৃষ্টি কৰাৰ বাবে কাম কৰি যাম। যোৱা বিধানসভা অধিৱেশনত প্ৰস্তুত হোৱা বাজেটত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰাৰ উদ্দেশ্যেৰে বিভিন্ন পদক্ষেপ লোৱাৰ কথা ঘোষণা কৰা হৈছে। লগতে যিবোৰ অঞ্চলত এতিয়াও আৰক্ষীৰ উপস্থিতি কম বুলি ভৰা হৈছে তাত আমি নতুন আৰক্ষী থানা, চকী স্থাপনৰ ব্যৱস্থা হাতত লম। শান্তি-শৃংখলা ৰক্ষা কৰাত আমাৰ আৰক্ষী বাহিনীৰ লোকৰ বলিদান আমি পাহৰিব নোৱাৰো। তেওঁলোকৰ বলিদানক সোঁৱৰণ কৰাৰ বাবে এটি আৰক্ষী স্মাৰক নিৰ্মাণ কৰা হ'ব। অসম আৰক্ষীক আৰু অধিক শক্তিশালী কৰি গঢ়ি তোলাৰ ক্ষেত্ৰত নতুন প্ৰযুক্তিৰ প্ৰয়োগ আৰু প্ৰশিক্ষণৰ প্ৰয়োজন আছে। দেৰগাঁৱত থকা আৰক্ষী প্ৰশিক্ষণ মহাবিদ্যালয় আধুনিক প্ৰশিক্ষণৰ ব্যৱস্থা প্ৰৱৰ্তন কৰি এই মহাবিদ্যালয়ক ৰাষ্ট্ৰীয় স্তৰৰ পুলিচ ট্ৰেইনিং অকাডেমীৰ সমপৰ্যায়ৰ কৰি তোলাৰ ব্যৱস্থা গ্ৰহণ কৰিম। এই অকাডেমীয়ে অসমৰ আৰক্ষীৰ সম্পূৰ্ণ প্ৰশিক্ষণৰ দায়িত্ব লোৱাৰ বাহিৰেও ভাৰতৰ অন্য প্ৰান্তৰ আৰক্ষী বিষয়াই ইয়াত প্ৰশিক্ষণৰ সুযোগ পাব।

অসমৰ চহৰ, নগৰ, গাঁও, চৰ অঞ্চল আৰু চাহ বাগিছাৰ সম-উন্নয়নৰ বাবে আমাৰ চৰকাৰে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিছে। ৰাজ্যৰ প্ৰতিটো অঞ্চলৰ উন্নয়নৰ বাবে আমি ইতিমধ্যে যোৱা ২৬

জুলাইত বিধান সভা অধিৱেশনত প্ৰস্তুত হোৱা বাজেটত বহুবোৰ আঁচনি ঘোষণা কৰিছো। আগন্তুক দিনবোৰত ৰাইজৰ কল্যাণৰ অৰ্থে আমি আৰু অধিক নতুন জনমুখী আঁচনি গ্ৰহণ কৰিম।

এই চৰকাৰখনৰ অন্যতম লক্ষ্য হৈছে আজিৰ প্ৰতিযোগিতামূলক আধুনিক তথা বহুমুখী দক্ষতাসম্পন্ন শিক্ষাৰ জৰিয়তে এই যুগত ৰাজ্যখনক নতুন দিশেৰে আগুৱাই লৈ যোৱা। আমাৰ চৰকাৰৰ বাবে শিক্ষাই হৈছে সৰ্বাধিক গুৰুত্বপূৰ্ণ খণ্ড যিয়ে অদূৰ ভৱিষ্যতে অতিশয় আৱশ্যকীয় তথা সক্ৰিয় মানৱ সম্পদ সৃষ্টি কৰিব পাৰে। শিক্ষা খণ্ডৰ উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা অভিলাষী পদক্ষেপসমূহ ২০১৬-১৭ বৰ্ষৰ বাজেটত উল্লেখ কৰা হৈছে। ৰাজ্যখনত ২৩ লাখতকৈ অধিক শিক্ষিত নিবনুৱা যুৱক-যুৱতী আছে। তেওঁলোকৰ মাজত থকা সম্ভাৱনীয়তাখিনি উপযুক্তভাৱে ব্যৱহাৰ কৰিলে ৰাজ্যখনে অভূতপূৰ্ব লাভালাভ অৰ্জন কৰিব পাৰিব। ৰাজ্যখনৰ শিক্ষিত আৰু উপযুক্ত যুৱক-যুৱতীসকললৈ নিয়োগৰ সুবিধা আগবঢ়োৱাৰ লক্ষ্যৰে আমাৰ চৰকাৰে এই ক্ষেত্ৰত কিছুমান সংস্কাৰমূলক পদক্ষেপ গ্ৰহণ কৰিব। আমাৰ যুৱক-যুৱতী সকলৰ সংস্থাপনৰ ওপৰত লক্ষ্য ৰাখি দক্ষতা বিকাশ কৰাৰ বাবে ব্যাপক হাৰত ব্যৱস্থা লোৱা হ'ব। এই উদ্দেশ্যে আমি এটা সুকীয়াকৈ দক্ষতা বিকাশ বিভাগ স্থাপন কৰিম। এই বিভাগৰ অধীনত দক্ষতা বিকাশ অভিযান আৰু অন্যান্য ব্যৱস্থা হাতত লোৱা হ'ব। আমাৰ ৰাজ্যৰ বিভিন্ন ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান সমূহ উন্নীতকৰণ কৰি বহুমুখী দক্ষতা কেন্দ্ৰ হিচাপে গঢ়ি তোলা হ'ব।

আমি অনুভৱ কৰো যে ঔদ্যোগিক বিকাশেই হৈছে ৰাজ্যখনৰ সামগ্ৰিক উন্নয়নৰ চাবিকাঠি। ডিব্ৰুগড়ত থকা গেছ ক্ৰেকাৰ প্ৰকল্পৰ পৰা সংগৃহীত কেঁচা সামগ্ৰীৰে চলাব পৰাকৈ ভটীয়নী উদ্যোগসমূহ স্থাপন কৰা হ'ব। কৃষি ভিত্তিক উদ্যোগসমূহৰ চাহিদা পূৰণ কৰাৰ অৰ্থে গুৱাহাটী, যোৰহাট, শিলচৰকে ধৰি ৰাজ্যখনৰ বিভিন্ন স্থানত আমাৰ চৰকাৰে শীতল ভঁৰাল স্থাপনৰ ব্যৱস্থা গ্ৰহণ কৰিব। যুৱক-যুৱতী তথা উদ্যোগীসকলক লাভান্বিত কৰিব পৰাকৈ অসমত ৰূপায়ণ কৰিবলৈ লোৱা 'স্কিল ইণ্ডিয়া', 'মেক-ইন-ইণ্ডিয়া' আৰু 'ষ্টাৰ্ট-আপ-ইণ্ডিয়া'ৰ নিচিনা আঁচনিসমূহৰ জৰিয়তে অসমে নিজকে এখন 'ব্ৰেণ্ড আছাম' হিচাপে গঢ়ি তুলিব পাৰে আৰু ই 'এক্ট-ইষ্ট-পলিচি'ৰ সৈতে নিবিড়ভাৱে জড়িত হোৱাত আমাক সহায় কৰিব।

গুৱাহাটী কেৱল অসমৰে নহয় সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাবেই অতি গুৰুত্বপূৰ্ণ মহানগৰ। গুৱাহাটীক আমি এক আন্তৰ্জাতিক বাণিজ্য কেন্দ্ৰ ৰূপে গঢ়ি তোলাৰ পৰিকল্পনা লৈছো। ইয়াৰ বাবে আমাৰ চৰকাৰে নতুন দিল্লীৰ আৰ্হিত গুৱাহাটী আৰু ইয়াৰ কাষৰীয়া অঞ্চল সামৰি এখন 'ৰাজ্যিক ৰাজধানী অঞ্চল' হিচাপে ঘোষণা কৰি এই অঞ্চলৰ পৰিকল্পিত বিকাশৰ ব্যৱস্থা হাতত ল'ব। আমি আশাকৰো যে এই ৰাজ্যিক ৰাজধানী অঞ্চলে অসমৰ অৰ্থনীতিৰ বিকাশত এক বিশেষ ভূমিকা গ্ৰহণ কৰিব।

কৃষি হৈছে আমাৰ অৰ্থনীতিৰ মেৰুদণ্ডস্বৰূপ। অসমৰ জলবায়ু

আৰু বতৰ উদ্যানশস্যৰ বিভিন্ন প্ৰজাতিৰ বাবে অতিশয় অনুকূল। কৃষিখণ্ডৰ বিকাশৰ বাবে এতিয়াও বহুখিনি কৰিব লগা আছে। আমাৰ চৰকাৰে 'প্ৰধান মন্ত্ৰী ফচল বীমা যোজনা'খন ৰূপায়ণ কৰিব যাতে বানপানী নাইবা খৰাং পৰিস্থিতিৰ দ্বাৰা শস্যৰ ক্ষতি হ'লে কৃষকসকলে তেওঁলোকৰ পাবলগীয়া ক্ষতিপূৰণ লাভ কৰিব পাৰে। ৰাজ্যখনৰ সকলোবোৰ কৃষিভূমিত জলসিঞ্চনৰ সুবিধা কৰাৰ লগতে মিশ্ৰিত আৰু বহু তৰপীয়া খেতিৰ ব্যৱস্থা কৰাৰ বাবে আমি আগ্ৰহী। সমগ্ৰ ৰাজ্যখনতে খাদ্য সংসাধন গোট স্থাপন কৰিবলৈ আমাৰ চৰকাৰ দৃঢ় প্ৰতিজ্ঞ। জৈৱ বৈচিত্ৰ্যতাৰে পৰিপূৰ্ণ অসম ভূমি জৈৱিক ক্ষেত্ৰত উদ্যোগ প্ৰতিষ্ঠা কৰি গ্ৰাম্য অৰ্থনীতি চহকী কৰি তোলাৰ প্ৰচেষ্টা হাতত লোৱা হ'ব আৰু এই প্ৰচেষ্টাই অসমৰ লাখ লাখ নিবনুৱা যুৱক-যুৱতীক সংস্থাপনৰ বাট মুকলি কৰিব। একেধৰণে আমি উদ্যান শস্য, মীন আৰু ৰেচম খণ্ডৰ উন্নয়নৰ বাবেও বদ্ধপৰিকৰ। উল্লেখ কৰিব পাৰি যে অসমক খাদ্য উৎপাদনৰ ক্ষেত্ৰত স্ব-নিৰ্ভৰশীল কৰি তোলাটোৱেই আমাৰ চৰকাৰৰ লক্ষ্য। ইয়াকে কৰিবলৈ আমি কোনো ক্ষেত্ৰতেই কোনোধৰণৰ সুৰুঙা নাৰাখো।

আমি সকলোৱে জানো যে সুন্দৰ স্বাস্থ্যৰ মাজতহে সুন্দৰ মন এটিয়ে বাস কৰে। প্ৰতিগৰাকী নাগৰিককেই স্বাস্থ্যৱান কৰি তোলাৰ বাবে ৰাজ্যখনৰ স্বাস্থ্য খণ্ডত সৰ্বতো প্ৰকাৰৰ উন্নয়ন সাধনৰ প্ৰতি আমাৰ চৰকাৰ সম্পূৰ্ণভাৱে প্ৰতিশ্ৰুতিবদ্ধ। কিছুদিন আগেয়ে প্ৰস্তুত হোৱা বাজেটত স্বাস্থ্যখণ্ডৰ ক্ষেত্ৰত ল'বলগীয়া পদক্ষেপসমূহৰ বিষয়ে উল্লেখ কৰা হৈছে।

জাতি, বৰ্ণ, ভাষা, অঞ্চল, ধৰ্ম বা লিংগ নিৰ্বিশেষে সকলো নাগৰিকৰ সমতাৰ ওপৰত আমি বিশ্বাস কৰো। ৰাজ্যখনৰ পৰা প্ৰত্যেকে সমানভাৱে উপকৃত হোৱা উচিত। ই হ'ল কল্যাণকামী ৰাজ্যখনৰ অন্তৰ্নিহিত মূল বিষয়বস্তু। সেয়েহে সমাজৰ সকলো শ্ৰেণীলৈ ন্যায় প্ৰদান কৰিবৰ বাবে আমাৰ চৰকাৰে চেষ্টা কৰি আছে। ৰাজ্যখনৰ প্ৰতিটো জাতি-জনগোষ্ঠীৰ অধিক উন্নয়নৰ অৰ্থে সকলোধৰণৰ সা-সুবিধা প্ৰদান কৰিবলৈ আমাৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। আনহাতে শিক্ষা, বৃত্তিমুখী প্ৰশিক্ষণ আৰু ঔদ্যোগিক দক্ষতাৰ ক্ষেত্ৰখনত ভাল প্ৰদৰ্শন কৰিবলৈ সক্ষম হোৱা অসমৰ প্ৰতিখন জিলাৰ প্ৰতিভাসম্পন্ন জনজাতীয় যুৱক-যুৱতীসকলক চিনাক্তকৰণৰ বাবে আমি পৰিকল্পনা হাতত লৈছো। অনুসূচিত জনজাতি আৰু অনুসূচিত জাতিৰ ছাত্ৰ-ছাত্ৰীসকলৰ কল্যাণৰ অৰ্থে দক্ষতা উন্নয়ন আঁচনি হাতত লোৱা হ'ব। জনজাতীয় স্বায়ত্তশাসিত পৰিষদসমূহক অধিক শক্তিশালী কৰিব বিচাৰিছো। আনহাতে ধৰ্মীয় আৰু ভাষিক সংখ্যালঘু সকলৰ আৰ্থ-সামাজিক উন্নয়ন কৰাটো আমাৰ চৰকাৰৰ আন এক লক্ষ্য। চৰ-চাপৰি অঞ্চলসমূহত দক্ষতা ভিত্তিক শিক্ষাক আমি উদ্‌গণি জনাম। অসমীয়া মুছলমানসকলৰ সামাজিক-ধৰ্মীয় সংস্কৃতি প্ৰদৰ্শন কৰাৰ অৰ্থে আমাৰ চৰকাৰে আজান পীৰ কলাক্ষেত্ৰ নিৰ্মাণ কৰিব। চাহ বাগিচাৰ শ্ৰমিক তথা তেওঁলোকৰ পৰিয়ালসমূহৰ বাবে আৱশ্যকীয় মৌলিক সা-সুবিধাসমূহ এতিয়াও সঠিকভাৱে লাভ কৰা নাই। এই দীৰ্ঘদিনীয়া সমস্যাসমূহ সমাধান কৰাৰ অৰ্থে আমাৰ চৰকাৰে কেতবোৰ আঁচনি হাতত লৈছে। ১৯৫১ চনৰ বাগিচা শ্ৰমিক আইন (Plantation Labour Act) খনৰ ৰূপায়নৰ প্ৰতি এই চৰকাৰ দায়বদ্ধ।

ৰাজ্যখনত মহিলা সবলীকৰণ হৈছে আমাৰ চৰকাৰৰ ভৱিষ্যৎ পৰিকল্পনাসমূহৰ অন্যতম। আমি এই প্ৰত্যাহ্বান গভীৰভাৱে লৈছো আৰু 'বেটি বচাও, বেটি পঢ়াও' অভিযান সঠিকভাৱে ৰূপায়ন কৰাৰ বাবে পদক্ষেপ লৈছো। এইক্ষেত্ৰত আমি কন্যা সন্তানৰ ভ্ৰূণ হত্যাৰ বিৰুদ্ধে কঠোৰতম আইন কাৰ্যকৰী কৰিবলৈ বিচাৰিছো। কিশোৰী তথা নাৰী সৰবৰাহৰ ক্ষেত্ৰত অসমৰ দুৰ্নাম আছে। ইয়াৰ অন্তৰালত থকা কাৰকসমূহ চিনাক্ত কৰি এই সমস্যা ৰোধ কৰিবলৈ আমি চেষ্টা চলাম। মহিলাসকলক আৰ্থিক দিশৰ পৰা সহায় কৰাৰ বাবে আমাৰ চৰকাৰে চলিত বিত্তীয় বৰ্ষত জেণ্ডাৰ বাজেট আৰম্ভ কৰিছে। কৃষি সংক্ৰান্তীয় পশুধন আৰু ক্ষুদ্ৰ উদ্যোগ খণ্ড পৰিচালনাৰ বাবে মহিলা সংগঠনসমূহক উৎসাহ যোগোৱা হ'ব। মহিলা আত্মসহায়ক গোটসমূহলৈ ১০ লাখ পৰ্যন্ত সুদবিহীন ঋণ প্ৰদান কৰা হ'ব।

আমি মহিলা, শিশু, বৃদ্ধ, বিশেষভাৱে সক্ষম লোকসকলৰ কল্যাণৰ বিষয়টো অধিক গুৰুত্ব আৰোপ কৰিম। এই ক্ষেত্ৰত বৰ্তমানৰ সমাজ কল্যাণ সঞ্চালকালয় বিভক্ত কৰি মহিলা আৰু শিশু কল্যাণ সঞ্চালকালয় আৰু সামাজিক সবলীকৰণ সঞ্চালকালয় হিচাপে স্থাপন কৰা হ'ব। কেন্দ্ৰীয় চৰকাৰে বিশেষভাৱে সক্ষম ব্যক্তিসকলৰ বাবে ইতিমধ্যেই বহুতো কল্যাণকামী আঁচনি প্ৰৱৰ্তন কৰিছে। 'সুগম্য ভাৰত অভিযান'ৰ অধীনত আমাৰ চৰকাৰে প্ৰতিটো চৰকাৰী ভৱন, ৰাজহুৱা স্থানসমূহত বিশেষভাৱে সক্ষম ব্যক্তি সকলে যাতে কোনো অসুবিধাৰ সন্মুখীন নহয়, সেই অনুসৰি গঢ়ি তোলা হ'ব। আমি বিদ্যালয় আৰু

মহাবিদ্যালয় পাঠ্যপুথিৰ লগতে চৰকাৰী কিতাপসমূহ দৃষ্টি শক্তিহীন ব্যক্তি সকলৰ বাবে ব্ৰেইলী পদ্ধতিত প্ৰকাশ কৰাৰ চেষ্টা কৰিম।

মহাত্মা গান্ধীয়ে কৈছিল ভাৰতবৰ্ষ গাঁৱত বাস কৰে। যদিও গান্ধীজীৰ দিনৰ পৰা দেশখনে যথেষ্ট প্ৰগতি লাভ কৰিছে, এই কথাখিনিৰ এতিয়াও প্ৰাসংগিকতা আছে। সেইকাৰণে আমাৰ চৰকাৰে গাওঁ অঞ্চলৰ উন্নয়নৰ বিষয়টোত অধিক গুৰুত্ব প্ৰদান কৰিছে। আমাৰ লক্ষ্য হৈছে সক্ষমতাৰ ওপৰত নিৰ্ভৰ কৰি এক সংহত ধৰণেৰে গাওঁসমূহৰ উন্নয়ন সাধন কৰা। ভাৰতৰ মাননীয় প্ৰধান মন্ত্ৰীৰ দৰ্শনৰ লগত ৰজিতা খুৱাই আমাৰ চৰকাৰে 'মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা' নামৰ এক অভিযান হাতত লৈছে, যাৰ লক্ষ্য হ'ল ২০২২ চনৰ শেষলৈকে কৃষকসকলৰ আয় দুগুণ কৰা। সম্ভাৱনাপূৰ্ণ এলেকাসমূহ মীন, দুগ্ধ আদিৰ দৰে উপ অভিযান হিচাপে চিনাক্তকৰণ কৰা হ'ব আৰু সেই অনুসৰি প্ৰয়োজনীয় পুঁজি আবণ্টন দিয়া হ'ব। প্ৰধান মন্ত্ৰীৰ 'উজলা যোজনাৰ'ৰ অধীনত আমি দুখীয়া প্ৰতিটো পৰিয়ালক এল পি জি সংযোগৰ সুবিধা প্ৰদান কৰিম।। পথ যোগাযোগৰ উন্নয়ন সাধনে গ্ৰামাঞ্চলৰ প্ৰভূত উন্নয়ন সাধনত অৰিহণা যোগাব আৰু আমাৰ চৰকাৰে এইখিনি কৰিবলৈ আগ্ৰহী।

অসমে ইমান দিনে সন্মুখীন হৈ অহা ভয়াৱহ বানপানীসমূহৰ ভিতৰত এই বছৰৰ বানপানীয়ে ৰাজ্যখনত অধিক দুৰ্যোগৰ সৃষ্টি কৰিছে। এনেধৰণৰ দুৰ্যোগসমূহৰ সন্মুখীন হোৱাত আমি নিজকে

উপযুক্তভাৱে প্ৰস্তুত কৰি তোলাৰ অৰ্থে আমাৰ চৰকাৰে দুৰ্যোগ ব্যৱস্থাপনাৰ আধুনিক ধাৰণা আৰু সা-সঁজুলিক কামত লগাব। গ্ৰাম্য অৰ্থনীতিৰ ৰক্ষা কবচ হিচাপে আমি মথাউৰি বোৰক গণ্য কৰো। ৰাজ্যখনত প্ৰায় ৫ হাজাৰ কিঃমিঃ দৈৰ্ঘৰ ১,২৫০ টা মথাউৰি আছে তাৰে বহুত খিনিয়ে দুৰ্বল হৈ পৰিছে। মথাউৰি অবিহনে আমি আমাৰ গ্ৰাম্য অৰ্থনীতি সবল কৰি তুলিব নোৱাৰিম। আমাৰ চৰকাৰে ৰাজ্যখনৰ সকলোবোৰ দুৰ্বল মথাউৰি শক্তিশালী কৰি তোলা তথা পুনৰ নিৰ্মাণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব।

অসম নিঃসন্দেহে প্ৰাকৃতিক সম্পদত চহকী হোৱা বাবে ইয়াক জৈৱ বৈচিত্ৰৰ কেন্দ্ৰস্থল বা হটস্পট বুলিব পাৰি। ৰাজ্যখনৰ এই জৈৱ বৈচিত্ৰ তথা পৰিৱেশক সুৰক্ষিত কৰাৰ লগতে অতি সংবেদনশীলতাৰে উদ্ভিদ আৰু প্ৰাণীকূলৰ সুৰক্ষাৰ ক্ষেত্ৰত আমাৰ চৰকাৰ প্ৰতিজ্ঞাবদ্ধ। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত হোৱা অবাধ গঁড় হত্যাৰ বাবে আমি অত্যন্ত দুঃখিত। আমাৰ চৰকাৰে এই অসম গৌৰৱ প্ৰাণীবিধক চোৰাং চিকাৰীৰ কবলৰ পৰা ৰক্ষা কৰিবলৈ দৃঢ়ভাৱে পদক্ষেপ গ্ৰহণ কৰিছে। কাজিৰঙাৰ গঁড় সুৰক্ষাৰ বাবে ৰাষ্ট্ৰীয় পৰ্যায়ৰ বন্যপ্ৰাণী বিশেষজ্ঞৰ পৰামৰ্শ গ্ৰহণ কৰা হৈছে। কাজিৰঙাৰ উপৰি অন্যান্য ৰাষ্ট্ৰীয় উদ্যান, অভয়াৰণ্য আৰু সংৰক্ষিত বনাঞ্চলসমূহতো সুৰক্ষামূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব। আনহাতে বনৰীয়া জন্তুৰ আক্ৰমণত মৃত্যু হোৱা লোকৰ আত্মীয়লৈ এককালীন সাহায্য অথবা ক্ষতিপূৰণ দিয়া হ'ব।

আমাৰ আন এক অগ্ৰাধিকাৰৰ ক্ষেত্ৰ হৈছে ক্ৰীড়া। অসমত প্ৰতিভাসম্পন্ন খেলুৱৈৰ কোনো অভাৱ নাই। আমাৰ চৰকাৰে ৰাজ্যখনৰ খেলুৱৈসকললৈ সম্ভৱপৰ সকলো ধৰণৰ সহযোগিতা আগবঢ়াব। এই ক্ষেত্ৰত আমি ৰাজ্যখনত ৰাজ্যিক ক্ৰীড়া পৰিষদ গঠন কৰিম। নতুন প্ৰজন্মৰ প্ৰতিভাসম্পন্ন খেলুৱৈসকলে সহজতে শ্ৰেষ্ঠ ক্ৰীড়া আন্তঃগাঁথনি লাভ কৰাটো আমি নিশ্চিত কৰিম। সকলো বিদ্যালয় আৰু মহাবিদ্যালয়তে আন্তঃগাঁথনি নিৰ্মাণ কৰা হ'ব। আমাৰ ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ নতুন প্ৰজন্মক গঠনমূলক কাম-কাজত জড়িত কৰাৰ বাবে আমি ৰাজ্যৰ ২৮ হাজাৰ গাঁৱতে একোটাকৈ 'ইউথ ক্লাব' গঠন কৰিম। এই ক্লাব সমূহে আমাৰ সমাজত শান্তি, প্ৰগতি আৰু সমৃদ্ধিৰ অন্যতম চালিকা শক্তিৰ ভূমিকা ল'ব।

ৰাজ্য চৰকাৰে অসমৰ সকলো সাংস্কৃতিক আৰু পৰম্পৰাগত কলাৰ সংৰক্ষণ, লেখাগাৰকৰণ, তথ্য সম্বলিতকৰণ আৰু ইয়াৰ সক্ৰিয়কৰণৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। অসমৰ কলা আৰু সংস্কৃতিৰ অধিক প্ৰসাৰ আৰু প্ৰচাৰৰ অৰ্থে সমগ্ৰ দেশখনৰ নিৰ্বাচিত বিশ্ববিদ্যালয়সমূহত অসম অধ্যয়ন কেন্দ্ৰ স্থাপন কৰাৰ লগতে অসমৰ সাংস্কৃতিক জগতখনক অধিক চহকী কৰি তুলিবলৈ অসমৰ সত্ৰীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ মাজুলীত এখনি সাংস্কৃতিক বিশ্ববিদ্যালয় স্থাপন কৰাৰ চিন্তা-চৰ্চ্চা কৰা হৈছে। আমাৰ ৰাজ্যত জ্ঞানোদীপ্ত চিন্তা-চৰ্চ্চাৰ গৌৰৱোজ্জ্বল পৰম্পৰা আছে। এই পৰম্পৰাক আৰু অধিক সমৃদ্ধ কৰি তুলিবলৈ ৰাজ্যখনৰ চিন্তাশীল ব্যক্তি, বুদ্ধিজীৱি সকলৰ পৰামৰ্শ